জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৭৮/২০২০

মালিগাঁৱত অসমৰ দীৰ্ঘতম উৰণীয়া সেঁতুৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

# আন্তঃগাঁথনিৰ দ্ৰুত উন্নয়নে গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ দুৱাৰদলিত পৰিণত কৰিব ঃ মুখ্যমন্ত্ৰী

## গুৱাহাটী ক্লাবৰ পৰা বামুণীমৈদাম সংযোগী আন এখন উৰণীয়া সেঁতুৰ নিৰ্মাণৰ বাবেও সম্ভাৱনীয়তাৰ অধ্যয়ন চলাই থকা হৈছে

**দিছপুৰ, ১১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মালিগাঁৱৰ পৰা কামাখ্যা গেট অভিমুখী তথা মালিগাঁও আৰু পাণ্ডু সংযোগী এখন চাৰিলেনযুক্ত উৰণীয়া সেঁতুৰ আধাৰশিলা স্থাপন কৰে। প্ৰস্তাৱিত এই উৰণীয়া সেঁতুখন মালিগাঁৱৰ পৰা আৰম্ভ হৈ এ টি ৰোডৰ কামাখ্যা মন্দিৰ গেটত সমাপ্ত হ'ব। সেঁতুখনৰ এটা বাহু পাণ্ডু ঘাট সংযোগী পথৰ দিশেও সম্প্ৰসাৰণ কৰা হ'ব। ৰাজ্য চৰকাৰৰ ২০২০-২১ বৰ্ষৰ 'স্ব-অগ্ৰাধিকাৰ পুঁজি'ৰ অধীনত লোকনিৰ্মাণ (পথ) বিভাগে নিৰ্মাণ কৰবলগীয়া এই সেঁতুৰ মুঠ প্ৰকল্প ব্যয় হৈছে ৪২০.৭৫ কোটি টকা। প্ৰায় ৩ কিঃমিঃ দৈৰ্ঘ্যৰ এই সেঁতুখন নিৰ্মাণ হৈ উঠিলে ই ৰাজ্যৰ ভিতৰতে দীৰ্ঘতম উৰণীয়া সেঁতু হিচাপে পৰিগণিত হ'ব। উৰণীয়া সেতুঁখনৰ কাম অহা দুবছৰৰ ভিতৰত সম্পূৰ্ণ কৰি তোলাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীক সমগ্ৰ দক্ষিণ-পূব এছিয়াৰে মুল দুৱাৰদলি হিচাপে গঢ়ি তোলাটো হৈছে ৰাজ্য চৰকাৰৰ এক অন্যতম প্ৰধান লক্ষ্য আৰু সেয়েহে মহানগৰীখনৰ আন্তঃগাঁথনিৰ দ্ৰুত উন্নয়নৰ দিশত ৰাজ্য চৰকাৰে অন্যতম অগ্ৰাধিকাৰ প্ৰদান কৰিছে। সময়ৰ লগে লগে গুৱাহাটীৰ জনসংখ্যা বাঢ়ি আহিছে আৰু সেয়েহে মহানগৰীখনক চাৰিওদিশে সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যিক ৰাজধানী অঞ্চল পৰিকল্পনাৰ অধীনত ৰাজ্য চৰকাৰে এই দিশত ইতিমধ্যে বাস্তৱসন্মত আঁচনি গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা স্মাৰ্ট চিটি প্ৰকল্পৰ প্ৰথম পৰ্যায়তে গুৱাহাটী মহানগৰীক অন্তৰ্ভূক্ত কৰা হৈছে। এই কথাই গুৱাহাটীৰ লগতে অসমক দেশৰ বিকাশৰ 'নতুন ইঞ্জিন' হিচাপে গঢ়ি তোলাৰ দিশত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সদিচ্ছাৰ কথাই প্ৰতিফলিত কৰে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'ট্ৰেন্সফৰ্মেশ্যন থ্ৰ' ট্ৰেন্সপৰ্টেশ্যন' নীতি অনুকৰণ কৰি অসম চৰকাৰেও ৰাজ্যখনৰ গ্ৰামাঞ্চলকে ধৰি সকলো অঞ্চলৰে পথ যোগাযোগ ব্যৱস্থা সুগম আৰু সুচলতৰ কৰি তোলাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। পূৰ্বৰ চৰকাৰসমূহৰ দিনত আন্তঃগাঁথনিমূলক

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

কাম-কাজৰ লেহেমীয়া অগ্ৰগতিৰ বিপৰীতে বৰ্তমান চৰকাৰৰ কাৰ্যকালত 'প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা'ৰ অধীনত ১৫ হাজাৰ কিঃমিঃৰো অধিক দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য দুয়োখন চৰকাৰৰে আন্তৰিকতাৰ ফলত আজি কৃষি, বাণিজ্য, ৰপ্তানি ব্যৱসায়, ক্ৰীড়া, বিজ্ঞান-প্ৰযুক্তি আদি প্ৰতিটো দিশতে ৰাজ্যখনে উন্নয়নৰ ক্ষিপ্ৰ গতি লাভ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰি এই প্ৰসংগত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'বলগীয়া চাৰিখন নতুন দলঙৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ শাসনকালত ৰাজ্যৰ জনসাধাৰণে ন্যূনতম সা-সুবিধাখিনিৰ বাবেও সংগ্ৰাম কৰিবলগীয়া হৈছিল। কিন্তু বৰ্তমানৰ চৰকাৰে ৰাইজক উন্নয়নৰ বাবে আন্দোলন কৰাৰ পৰিৱেশ নিদিয়াকৈয়ে আন্তঃগাঁথনিমূলক কাম-কাজসমূহ যুদ্ধকালীন ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰি তোলাত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ৰাজ্যখনত চলি থকা উন্নয়নমূলক প্ৰকল্পসমূহৰ কাম-কাজ সুচাৰুৰূপে আৰু সময়মতে সম্পূৰ্ণ কৰি তোলাৰ স্বাৰ্থত জনসাধাৰণক শান্তি, একতা আৰু সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এনে কৰিলেহে অসমে দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ এখন হিচাপে পৰিগণিত হ'বলৈ সক্ষম হ'ব। এই উৰণীয়া সেঁতুখনৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়ছোৱাত মালিগাঁও অঞ্চলৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হ'ব লাগিব পাৰে বুলি উল্লেখ কৰি এই ক্ষেত্ৰত ৰাইজক ধৈৰ্য্যৰে সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে এই নতুন উৰণীয়া সেঁতুখনৰ নিৰ্মাণে সদাব্যস্ত মালিগাঁও অঞ্চলৰ যান-জঁটৰ সমস্যা বহুখিনি দূৰ কৰি ৰাইজক সকাহ প্ৰদান কৰিব। গণেশগুৰিত নিৰ্মিয়মাণ উৰণীয়া সেঁতুখন আৰু কেইটামান দিনৰ পিছতেই ৰাইজৰ বাবে মুকলি কৰিব পৰাকৈ সাজু হৈ উঠাৰ লগতে ছুপাৰ মাৰ্কেট অঞ্চলত নিৰ্মাণকাৰ্য চলি থকা সেঁতুখনৰ কামো দ্ৰুত গতিৰে আগবাঢ়িছে বুলি তেওঁ উল্লেখ কৰে। মহানগৰীখনৰ বিভিন্ন ঠাইত ৯ খনকৈ ফুট অভাৰব্ৰীজৰ নিৰ্মাণ কাৰ্য চলি থকাৰ লগতে গুৱাহাটী ক্লাবৰ পৰা বামুণীমৈদাম সংযোগী আন এখন উৰণীয়া সেঁতুৰ নিৰ্মাণৰ বাবেও সম্ভাৱনীয়তাৰ অধ্যয়ন চলাই থকা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালতে শৰাইঘাটত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন দলঙৰ লগতে বগীবিল, ধলা শদিয়া আদি দলং মুকলি কৰিব পৰাটো চৰকাৰখনৰ অন্যতম সফলতা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে গুৱাহাটী মহানগৰীৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে বহু সংখ্যক আঁচনি হাতত লোৱা হৈছে আৰু এই সমূহ সম্পূৰ্ণ হৈ উঠিলে মহানগৰীখন প্ৰকৃতাৰ্থতেই দক্ষিণ-পূৱ এছিয়াৰ দুৱাৰদলি হিচাপে পৰিগণিত হ'ব।

আজিৰ এই অনুষ্ঠানত সাংসদ বিশ্বজিৎ দৈমাৰী, লোক নিৰ্মাণ বিভাগৰ আয়ুক্ত তথা বিশেষ সচিব ৰাজেশ কেম্প্ৰাইৰ লগতে আন বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**স্বাক্ষৰ / প্ৰঃকুঃবঃ**
**১১/১০/২০২০**